# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-10-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

জুবিন গাৰ্গৰ মৃত্যুৰ আজি এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত মাঙ্গলিক কাৰ্যসূচী অনুষ্ঠিত হয়। শিল্পীগৰাকীৰ সোণাপুৰৰ কমাৰকুছিৰ সমাধিক্ষেত্ৰত আজি ডিমৰীয়াবাসী ৰাইজে গীতা পাঠ, সংকীৰ্তন, সৰ্বধৰ্ম প্ৰাৰ্থনাৰে শ্ৰদ্ধাঞ্জলি জনায়। বৃহত্তৰ বৰপেটা সমাজ, গুৱাহাটীৰ উদ্যোগত আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সহযোগত লতাশিল খেলপথাৰত জুবিন গাৰ্গৰ মৃত্যুৰ এমাহ উপলক্ষে ১২ ঘণ্টীয়া অখণ্ড থিয় নাম পৰিৱেশন আৰু সন্ধিয়া বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই এইদৰে কয়-

বাইট

গুৱাহাটী মহানগৰীৰ কাহিলিপাৰাৰ ফৰেনচিক বিজ্ঞানাগাৰৰ খেলপথাৰতো জুবিন গাৰ্গৰ স্মৃতিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীতে ভাস্কৰ্য শিল্পী নুৰুদ্দিন আহমেদে নিৰ্মাণ কৰা শিল্পীগৰাকীৰ ১০ ফুট উচ্চতাৰ এটা প্ৰতিমুৰ্তি উন্মোচন কৰা হয়।

তামুলপুৰ জিলাৰ কুমাৰিকাটাত চাৰিখন গাঁওৰ ৰাইজে মিলি জুবিন গাৰ্গৰ স্মৃতিত এহেজাৰ ছশ গছপুলি ৰোপণ কৰে। মৰিগাওঁ জিলাৰ বঙালধৰাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অৱস্থিত বঙালধৰা তিনিআলিতো আজি **জুবিন চ'ক** নামেৰে নামকৰণ কৰা হয়। কাছাৰ জিলাৰ বিভিন্ন স্থানতো শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

মাজুলীৰ মুদৈবিল বৰনামঘৰত আজি দিনজোৰা কাৰ্যসূচীৰে জুবিন গাৰ্গৰ মাহেকীয়া তিথি পালন কৰা হয়। বিশ্বনাথ জিলাৰ গহপুৰত অভিনেতা ৰবী শৰ্মাই শিল্পীগৰাকীৰ প্ৰতিমুৰ্তি উন্মোচন কৰে। এই কাৰ্যসূচীতো অৰণ্য মানৱ যাদৱ পায়েঙে গছপুলি ৰোপণ কৰে। হোজাই জিলাৰ ২ নম্বৰ কাকি চাৰিআলিৰ সমীপত জুবিন গাৰ্গৰ এঘাৰ ফুট উচ্চতাৰ এটা পূৰ্ণাংগ প্ৰতিমুৰ্তি উন্মোচন কৰা হয়। অনুষ্ঠানত জাতি ধৰ্ম নিৰ্বিশেষে সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

ইপিনে, কোকৰাঝাৰতো ৰাইজে অসমৰ প্ৰাণৰ শিল্পীগৰাকীৰ বিয়োগৰ এমাহ উপলক্ষে এখন শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। সন্ধিয়া কোকৰাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ৫ হাজাৰ বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে সমবেত ৰাইজে শিল্পীগৰাকীৰ মায়াবিনী গীতটি সমস্বৰে পৰিৱেশন কৰে।

পাঠশালাৰ হৰিমন্দিৰ চৌহদত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে জুবিন গাৰ্গৰ বিয়োগৰ এমহীয়া উপলক্ষে এটি নাহৰ গছৰ পুলি ৰোপন কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে পাঠশালাত শিল্পীগৰাকীৰ সোঁৱৰণত জুবিন উদ্যান নামেৰে এখন উদ্যান নিৰ্মাণ কৰিব আৰু তাত শিল্পীগৰাকীৰ এটা প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব। ইতিমধ্যে চৰকাৰে উদ্যানখনৰ বাবে ভূমি আবণ্টন দিয়াৰ লগতে এখন বিশেষ কমিটীও গঠন কৰি দিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

যোৰহাট জিলাৰ মৰিয়নি মহাবিদ্যালয় খেলপথাৰত আজিৰে পৰা ৩ দিনীয়াকৈ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ২৯ সংখ্যক দ্বিবাৰ্ষিক অধিবেশন আৰু অসম চাহ জনজাতি মহিলা সমিতিৰ কেন্দ্ৰীয় দ্বিবাৰ্ষিক সাধাৰণ অধিবেশন অনুষ্ঠিত হৈছে। অধিবেশনৰ মুকলি সভাত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। ডঃ শৰ্মাই তেওঁৰ ভাষণত কয় যে অসমৰ জাতীয় জীৱনৰ অন্যতম শক্তিশালী সংগঠন অসম চাহ জনজাতি ছাত্ৰ সন্থাই প্ৰতিষ্ঠা কালৰে পৰা চাহ জনগোষ্ঠী লোকসকলৰ নায্য প্ৰাপ্তিৰ দাবীৰে সংগ্ৰাম কৰি আহিছে। ছাত্ৰ সন্থাই জনগোষ্ঠীটোক শৈক্ষিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিকভাৱে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অবিৰতভাৱে চেষ্টা কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ দুয়োটা সংগঠনকে চাহ জনগোষ্ঠীৰ উত্তৰণৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়।

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত পাৰ্থত অনুষ্ঠিত পুৰুষৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আজি অষ্ট্ৰেলিয়াই ভাৰতক ৭ উইকেটত পৰাস্ত কৰে। প্ৰতিযোগিতাৰ দ্বিতীয়খন এদিনীয়া অহা ২৩ অক্টোবৰত এডিলেইডত অনুষ্ঠিত হ'ব।

আই চি চি মহিলা ক্ৰিকেট বিশ্বকাপ প্ৰতিযোগিতাত আজি ইন্দোৰৰ হলকাৰ ষ্টেডিয়ামত ভাৰত ইংলেণ্ডৰ মুখামুখি হৈছে। টছত জিকি ইংলেণ্ড প্ৰথমে বেট ধৰি ভাৰতক জয়ৰ বাবে ২৮৯ ৰান লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৩৭ অভাৰত ৩টা উইকেটৰ বিনিময়ত ২০৬ ৰান সংগ্ৰহ কৰিছে।

ooooo

**ঃঃ সমাপ্ত ঃঃ**